# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JUNE-2026 **Time :** 0755 HRS

***<u>Assamese Morning Bulletin</u>***

শ্ৰীমন্ত শংকৰদেৱৰ জীৱন দৰ্শন, সাহিত্য, সংস্কৃতি আৰু ভাৰতীয় জ্ঞান পৰম্পৰাক অধিক বিস্তৃতভাৱে গৱেষণা আৰু প্ৰচাৰৰ লক্ষ্যৰে কালি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু পাঞ্জাৱ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে বিশ্ববিদ্যালয় দুখনে গৱেষণা, শৈক্ষিক বিনিময়, সাংস্কৃতিক আদান-প্ৰদান আৰু যৌথ বিদ্যায়তনিক কাৰ্যসূচীৰ ক্ষেত্ৰত দীৰ্ঘম্যাদি সহযোগিতা সূচনা কৰে। চুক্তিখনৰ অধীনত শ্ৰীমন্ত শংকৰেদৰ অধ্যয়ন, ভক্তি আন্দোলন, বৈষ্ণৱ দৰ্শন, সাহিত্য, লোক সংস্কৃতি, পৰিৱেশ্য কলা, তুলনামূলক সাংস্কৃতিক অধ্যয়ন, থলুৱা জ্ঞান পৰম্পৰা আদি বিষয়ত যৌথ গৱেষণা কৰা হ'ব। ইয়াৰ উপৰি শিক্ষক আৰু গৱেষক বিনিময়, গৱেষক ছাত্ৰৰ যৌথ তত্বাৱধান, আলোচনাচক্ৰ সন্মিলন, কৰ্মশালা, স্মাৰক বক্তৃতা, সাংস্কৃতিক অনুষ্ঠান, গ্ৰন্থ প্ৰকাশ, অনুবাদ, পাণ্ডুলিপি সম্পাদনা আৰু সাংস্কৃতিক সম্পদৰ ডিজিটেল সংৰক্ষণৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বিশ্ববিদ্যালয় দুখনে লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় গৱেষণা পুঁজিৰ বাবে যৌথভাৱে প্ৰস্তাৱ দাখিলৰ দিশতো পদক্ষেপ ল'ব।

চুক্তিখনৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজত শক্তিশালী বিদ্যায়তনিক আৰু সাংস্কৃতিক সহযোগ গঢ়ি তোলাৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰা হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত স্বাক্ষৰ অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকা, পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, মানৱিক আৰু আইন অনুষদৰ গুৰু অধ্যাপক জয়ন্ত কুমাৰ বৰা, অসমীয়া বিভাগৰ প্ৰাধ্যাপক সত্যকাম বৰঠাকুৰ আৰু ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ ড° যাদৰ বৰা উপস্থিত থাকে। পাঞ্জাৱ বিশ্ববিদ্যালয়ৰ হৈ বিশ্ববিদ্যালয় নিৰ্দেশনাৰ প্ৰাক্তন গুৰু, শ্ৰীমন্ত শংকৰদেৱ আসনৰ প্ৰাক্তন সমন্বয়ক তথা হিন্দী বিভাগৰ অধ্যাপক যোজনা ৰাৱটে চুক্তিত অংশগ্ৰহণ কৰে।

০০০০০০০

জলসম্পদ মন্ত্ৰী তথা মাজুলীৰ অভিভাৱক মন্ত্ৰী সুশান্ত বৰগোঁহাইয়ে কালি জিলাখনৰ মলয়াচাপৰি আৰু কুলিচাপৰি অঞ্চলত সোৱণশিৰি নদীয়ে সৃষ্টি কৰা গৰাখহনীয়া পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহ শীঘ্ৰেই কাৰ্যকৰী কৰিবলৈ জলসম্পদ বিভাগৰ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে কৰ্দৈগুৰি অঞ্চলৰ খহনীয়া পৰিস্থিতিও পৰিদৰ্শন কৰে।

**বাইট (সুশান্ত)**

শ্ৰীবৰগোঁহাইয়ে ইয়াৰ পাছত ব্ৰহ্মপুত্ৰ বোৰ্ড আৰু জলসম্পদ বিভাগৰ অধীনত মেগা জিঅ' টিউবৰ জৰিয়তে টুনি সুঁতিৰ মুখ বন্ধ কৰা আৰু বিজ্ঞানসন্মতভাৱে গ্ৰহণ কৰা চেনেল ক্ল'জিং প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। এই প্ৰকল্পৰ অধীনত পাৰ্কুপাইন ব্যৱস্থাৰে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা ভকতচাপৰি আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহক সুৰক্ষা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। মন্ত্ৰীগৰাকীৰ সৈতে কালি পৰিদৰ্শন কালত স্থানীয় বিধায়ক ভূৱন গাম, জিলা আয়ুক্ত সৃষ্টি সিং আৰু বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে লুটুমাই, দক্ষিণ নামবৰ, দৈয়াং, যমুনা মৌডংগা আৰু বৰপানী সংৰক্ষিত বনাঞ্চলৰ পৰা দখলকাৰীক উচ্ছেদৰ নিৰ্দেশ বাহাল ৰাখিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ

দেৱচৌধুৰীক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি কেইবাশ লোকে দাখিল কৰা আবেদন নাকচ কৰি বনাঞ্চলকেইখনত উচ্ছেদ চলাবলৈ পূৰ্বৰ এজনীয়া বিচাৰপীঠে দিয়া নিৰ্দেশ বাহাল ৰাখে। অৱশ্যে বাৰিষাৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি খণ্ড বিচাৰপীঠখনে বনাঞ্চলত অবৈধভাৱে বসবাস কৰা লোকসকলক আঁতৰি যোৱাৰ সময়সীমা পূৰ্বৰ ৩০ দিনৰ পৰিৱৰ্তে ৪৫ দিনলৈ বৃদ্ধি কৰে। উল্লেখযোগ্য যে যোৱা ৮ জুনত উচ্চ ন্যায়ালয়ৰ এখন এজনীয়া বিচাৰপীঠে এই সংৰক্ষিত বনাঞ্চলকেইখনত অবৈধভাৱে বাস কৰা লোকসকলক ৩০ দিনৰ ভিতৰত বনাঞ্চলৰ ভূমিৰ পৰা আঁতৰি যাবলৈ নিৰ্দেশ দিছিল। তদুপৰি এই সময়সীমা অতিক্ৰম কৰাৰ পাছতেই তাত বাস কৰা লোকসকলৰ গৃহৰ বিদ্যুৎ সংযোগ কৰ্তন কৰিবলৈও বিচাৰপীঠে অসম ৰাজ্যিক শক্তি বিতৰণ কোম্পানীৰ পৰিচালন সঞ্চালকক নিৰ্দেশ দিছিল।

০০০০০০০

ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ সহযোগত কালি মহাবিদ্যালয়খনৰ শংকৰদেৱ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত সাংবাদিক ৰাতুল বুঢ়াগোহাঁইয়ে ৰচনা কৰা কংক্ৰিট নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। বিশিষ্ট সাহিত্যিক জুৰি বৰা বৰগোহাঁঞিয়ে এই গ্ৰন্থখন উন্মোচন কৰে। সভাত উদ্বোধনী ভাষণ দি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে সাংবাদিকতাৰ দৰে ব্যস্ত আৰু দায়িত্বপূৰ্ণ ক্ষেত্ৰত নিয়োজিত হৈ থাকিও সাহিত্য চৰ্চাৰ জৰিয়তে সমাজলৈ বাৰ্তা প্ৰেৰণৰ কাৰ্যক প্ৰশংসনীয় আৰু সৃষ্টিশীল বুলি উল্লেখ কৰে।

০০০০০০০

**সমাপ্ত**